**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-04-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***Headlines***
***--------------***

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে পৰ্তুগাল আৰু শ্ল'ভাকিয়া ভ্ৰমণ সামৰি স্বদেশলৈ উভতি আহিছে।
২। ছত্তীশগড়ৰ বিজাপুৰ জিলাত হোৱা এটা সংঘৰ্ষত নিৰাপত্তা বাহিনীৰ গুলীত তিনিজন মাওবাদী নিহত হয়।
৩। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে কৈছে যে বিভিন্ন দেশৰ সৈতে ভাৰতৰ সম্বন্ধ উন্নত হ'ব পৰাকৈ ভাৰত চৰকাৰে প্ৰবাসী ভাৰতীয়সকলৰ বিকাশৰ বাবে ভালেমান ব্যৱস্থা গ্ৰহণ কৰিছে।
৪। দেশৰ বিভিন্ন প্ৰান্তত আজি ধৰ্মীয় ৰীতি-নীতিৰে হনুমান জয়ন্তী উদযাপন কৰা হৈছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি লক্ষ্ণৌত হ'বলগীয়া এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ, গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে পৰ্তুগাল আৰু শ্ল'ভাকিয়া ভ্ৰমণ সামৰি স্বদেশলৈ উভতি আহিছে। তেওঁ দুয়োখন দেশৰ সৈতে ভাৰতৰ দ্বিপাক্ষিক সম্পৰ্ক শক্তিশালী কৰাৰ উদ্দেশ্যে কেইবাখনো উচ্চ পৰ্যায়ৰ বৈঠকত মিলিত হয়। শ্ল'ভাকিয়াৰ ৰাষ্ট্ৰপতি পীটাৰ পেলিগ্ৰিনীৰ আমন্ত্ৰণ ৰক্ষা কৰি শ্ৰীমতী মুৰ্মু দেশখনলৈ গৈছিল। এয়া হৈছে বিগত ২৯ বছৰত কোনো এগৰাকী ভাৰতীয় ৰাষ্ট্ৰপতিৰ প্ৰথম শ্ল'ভাকিয়া ভ্ৰমণ। এই ভ্ৰমণকালত ৰাষ্ট্ৰপতি শ্ৰমতী মুৰ্মুৱে শ্ল'ভাকিয়াৰ ৰাষ্ট্ৰপতি পিটাৰ পেলিগ্ৰিনী, প্ৰধানমন্ত্ৰী ৰবাৰ্ট ফিকো আৰু অন্যান্য প্ৰতিনিধিসকলৰ সৈতে বৈঠকত মিলিত হৈ পাৰস্পৰিক সহযোগিতাৰ বিভিন্ন বিষয় সন্দৰ্ভত আলোচনা কৰে। উভয়ে দেশে মহাকাশ আৰু কৃত্ৰিম বুদ্ধিমত্তা আদিকে ধৰি ন-ন প্ৰযুক্তিখণ্ডত সহযোগিতাৰ লগতে চাইবাৰ সুৰক্ষা ক্ষেত্ৰত ন-ন সুযোগ অন্বেষণৰ বিষয়তো আলোচনা কৰে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে শ্ল'ভাকিয়াৰ ৰাজধানীত ভাৰতীয় মূলৰ লোকসকলকো সাক্ষাৎ কৰে। তেওঁ ভাৰত আৰু শ্ল'ভাকিয়াৰ মাজৰ বৰ্ধিত সাংস্কৃতিক সম্পৰ্কত আলোকপাত কৰি শ্ল'ভাকিয়াত ভাৰতীয় ঐতিহ্য, পৰম্পৰা তথা যোগ, আয়ুৰ্বেদ আৰু ভাৰতীয় খাদ্যাভাসৰ জনপ্ৰিয়তা সন্দৰ্ভত মন্তব্য কৰে।

ভ্ৰমণসূচীৰ প্ৰথম পৰ্যায়ৰ পৰ্টুগাল ভ্ৰমণ সামৰি শ্ৰীমতী মুৰ্মু শ্ল'ভাকিয়াত উপস্থিত হয়। এয়া আছিল বিগত ২৭ বছৰত কোনো এগৰাকী ভাৰতীয় ৰাষ্ট্ৰপতিৰ উত্তৰ ইউৰোপীয় দেশ ভ্ৰমণ। মুক্ত বাণিজ্য চুক্তি সন্দৰ্ভত ভাৰত আৰু ইউৰোপীয় সংঘৰ মাজত আলোচনা চলি থকাৰ সময়ত তেওঁৰ এই ভ্ৰমণ গুৰুত্বপূৰ্ণ বিবেচিত হৈছে। এই ভ্ৰমণৰ সময়ত শ্ৰীমতী মুৰ্মুৱে পৰ্টুগালৰ শীৰ্ষ নেতাসকলক সাক্ষাৎ কৰি দুয়োখন দেশৰ মাজৰ সম্পৰ্ক শক্তিশালী কৰা সন্দৰ্ভত আলোচনা কৰে।

oooooo

ছত্তীশগড়ৰ বিজাপুৰ জিলাত হোৱা এটা সংঘৰ্ষত নিৰাপত্তা বাহিনীৰ গুলীত তিনিজন মাওবাদী নিহত হয়। জিলাখনৰ ইন্দ্ৰৱতি বনাঞ্চলত চি আৰ পি এফৰ কোব্ৰা বেটেলিয়ন, জিলা সংৰক্ষিত গাৰ্ড আৰু বিশেষ কৰ্মবাহিনীৰ এটা যৌথ দলে নক্সালবিৰোধী অভিযান চলায়। এই অভিযানৰ সময়তে আজি পুৱা নিৰাপত্তা বাহিনী আৰু মাওবাদীৰ মাজত গুলিৰ বিনিময় হয়। পাছত ঘটনাস্থলীৰ পৰা নিৰাপত্তা বাহিনীয়ে তিনিজন মাওবাদীৰ মৃতদেহ উদ্ধাৰ কৰে। অঞ্চলটোত অভিযান অব্যাহত আছে।

ooooooo

জম্মু-কাশ্মীৰৰ কিছ্‌ৱাৰ জিলাৰ চাত্ৰু অৰণ্য অঞ্চলত চলি থকা এটা গুলীয়াগুলিৰ ঘটনাত তিনিটা সন্ত্ৰাসবাদী নিহত হৈছে। ঘটনাস্থলীৰ পৰা বুজন পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰ আৰু গুলীবাৰুদ উদ্ধাৰ কৰা হৈছে। জিলাখনৰ চাত্ৰু অৰণ্যত সন্ত্ৰাসবাদীয়ে

আশ্ৰয় লোৱাৰ খবৰ পাই নিৰাপত্তা বাহিনীয়ে বুধবাৰে অভিযান আৰম্ভ কৰিছিল। কিন্তু অভিযানৰ উমান পাই সন্ত্ৰাসবাদীৰ দলটো পলাই যায়। তাৰ পাছত কালি পুৱা অঞ্চলটোত পুনৰ সন্ত্ৰাসবাদী থকাৰ খবৰ পাই নিৰাপত্তা বাহিনীয়ে অভিযান চলায় আৰু দুয়ো পক্ষৰ মাজত গুলীয়াগুলি আৰম্ভ হয়। নিৰাপত্তা বাহিনীয়ে জম্মু অঞ্চলৰ পাহাৰীয়া অঞ্চল আৰু ডোদা জিলাৰ ভাডেৰৱা অঞ্চলতো সন্ত্ৰাসবাদীৰ সন্ধানত তালাচী চলাইছে।

০০০০০০০

জম্মু-কাশ্মীৰৰ কেৰিভাট্টাল অঞ্চলৰ আখনুৰ খণ্ডত সেনাবাহিনীয়ে পুৱতি নিশা সন্ত্ৰাসবাদীৰ অনুপ্ৰবেশৰ এটা ঘটনা ৰোধ কৰিবলৈ সমৰ্থ হয়। সন্ত্ৰাসবাদীৰ দলটোৱে নিয়ন্ত্ৰণ ৰেখা পাৰ হৈ ভাৰতত প্ৰবেশ কৰিবলৈ চেষ্টা কৰিছিল। সেনাবাহিনীয়ে ইয়াৰ উমান পাই বাধা দিবলৈ চেষ্টা কৰাত দুয়োপক্ষৰ মাজত গুলীয়াগুলিৰ সূত্ৰপাত হয়। এই সংঘৰ্ষত সেনাবাহিনীৰ এজন কনিষ্ঠ বিষয়াৰ মৃত্যু হয়। ঘটনাৰ পাছতে অঞ্চলটোত ব্যাপক তালাচী অভিযান আৰম্ভ কৰা হয়।

০০০০০০০০০

কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে কৈছে যে বিভিন্ন দেশৰ সৈতে ভাৰতৰ সম্বন্ধ উন্নত হ'ব পৰাকৈ ভাৰত চৰকাৰে প্ৰবাসী ভাৰতীয়সকলৰ বিকাশৰ বাবে ভালেমান ব্যৱস্থা গ্ৰহণ কৰিছে। বিত্ত মন্ত্ৰীগৰাকীয়ে কালি অষ্ট্ৰিয়াৰ ভিয়েনাত প্ৰবাসী ভাৰতীয়সকলক উদ্দেশ্যি দিয়া ভাষণত এইদৰে কয়। তেওঁ অষ্ট্ৰিয়াত প্ৰবাসী ভাৰতীয়সকলে গ্ৰহণ কৰা শক্তিশালী ভূমিকাৰ শলাগ লোৱাৰ লগতে ভাৰতীয় উদ্যোগীসকলে দেশখনৰ বিকাশৰ ক্ষেত্ৰত লোৱা গুৰুত্বপূৰ্ণ ভূমিকাৰ বিষয়েও সজোৰে উল্লেখ কৰে। তেওঁ দুয়োখন দেশৰ মাজত ষ্টাৰ্টআপ, ফিনটেক, সেউজ প্ৰযুক্তি আৰু পৰিবেশ অনুকূল নগৰীয়া পৰিবহন আদি খণ্ডত সহযোগিতাৰ অপাৰ সম্ভাৱনীয়তা থকাৰ বিষয়েও উল্লেখ কৰে। ভ্ৰমণৰ কালছোৱাত বিত্তমন্ত্ৰী গৰাকীয়ে ইউৰোপীয় পৰিক্ৰমা আৰু আন্তৰ্জাতিককৰণ মন্ত্ৰী বিয়েট মেইনল ৰেইছিনগাৰকো ভিয়েনাত সাক্ষাৎ কৰে। দুয়োগৰাকী মন্ত্ৰী ভাৰত-অষ্ট্ৰিয়া দ্বিপাক্ষিক সম্পৰ্কৰ শেহতীয়া স্থিতিৰ বিষয়ে আলোচনা কৰাৰ লগতে উভয় দেশ তথা ভাৰত আৰু ইউৰোপীয় সংঘৰ মাজৰ সম্পৰ্ক অধিক গভীৰ কৰি তোলা সন্দৰ্ভতো তেওঁলোকৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ বিষয়ে দোহাৰে। উভয় পক্ষই পাৰস্পৰিক স্বাৰ্থজড়িত বিভিন্ন আন্তঃৰাষ্ট্ৰীয় বিষয় সম্পৰ্কেও আলোচনা কৰে।

০০০০০০০০০

দেশৰ বিভিন্ন প্ৰান্তত আজি ধৰ্মীয় ৰীতি-নীতিৰে হনুমান জয়ন্তী উদযাপন কৰা হৈছে। হিন্দু দেৱতা হনুমানৰ জন্ম দিনৰ লগত সংগতি ৰাখি এই উৎসৱ উদযাপন কৰা হয়। দিল্লীত আজি পুৱাৰে পৰা প্ৰাৰ্থনাৰ বাবে হনুমান মন্দিৰসমূহত ভক্তৰ ভিৰ পৰিলক্ষিত হয়। বিশেষকৈ কনাট প্লেছত থকা প্ৰাচীন হনুমান মন্দিৰত ভক্তৰ অভাৱনীয় সমাগত হয়। মন্দিৰটোত হনুমান চালিচা, সুন্দৰ খণ্ড আৰু অখণ্ড ৰামায়ণ পাঠ কৰা হয়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে হনুমান জয়ন্তী উপলক্ষে দেশবাসীক শুভেচ্ছা জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে সংকট মোচন হনুমানৰ আশীৰ্বাদত মানুহ সুস্বাস্থ্য, সুখী আৰু সমৃদ্ধিশালী জীৱনৰ অধিকাৰী হৈ উঠিব বুলি আশা প্ৰকাশ কৰে।

০০০০০০০০০

ইউক্ৰেইন সন্দৰ্ভত আলোচনাৰ বাবে আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিশেষ কটকী ষ্টীভ উইটক'ফে ছেইণ্ট পিটাৰ্ছবাৰ্গত ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনক সাক্ষাৎ কৰে। ক্ৰেমলিনে প্ৰকাশ কৰা অনুসৰি কালি চাৰি ঘণ্টাৰো অধিক সময় জুৰি এই বৈঠক অনুষ্ঠিত হয়। বৈঠকত ৰাছিয়া-ইউক্ৰেইন সমস্যাৰ সমাধানৰ বিভিন্ন দিশ সন্দৰ্ভত আলোচনা হয়। ৰাছিয়াৰ বিশেষ কটকী কিৰিল ডিমিট্ৰিভে এই আলোচনাক ফলপ্ৰসূ হিচাপে বৰ্ণনা কৰিছে। ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত যুদ্ধবিৰতিৰ বাবে আমেৰিকা যুক্তৰাষ্ট্ৰই চলাই অহা ধাৰাবাহিক প্ৰচেষ্টাৰ অংশ হিচাপে এই আলোচনা অনুষ্ঠিত হয়। ইয়াৰ পূৰ্বে ক্ৰেমলিনৰ মুখপাত্ৰ ডিমিট্ৰি পেছক'ভে প্ৰকাশ কৰিছিল যে পুটিন আৰু উইটক'ফৰ সাক্ষাতে ৰাছিয়াৰ ৰাষ্ট্ৰপতিৰ সৈতে আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ মুখামুখি আলোচনাৰ বাট প্ৰশস্ত কৰাৰ সম্ভাৱনা আছে। দুয়োগৰাকী নেতাই ইতিপূৰ্বে টেলিফোনযোগে কথা-বতৰা পাতিছে যদিও মুখামুখি আলোচনাত বহা নাই।

রাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে কালি শান্তি আলোচনাৰ লেহেমীয়া গতিত হতাশা প্ৰকট কৰিছিল। সামাজি মাধ্যম ট্ৰুথ ছ'চিয়েলত শ্ৰীট্ৰাম্পে সংঘৰ্ষত বহু মানুহৰ মৃত্যু হোৱাৰ প্ৰসঙ্গ উত্থাপনেৰে ৰাছিয়াক ইউক্ৰেইনৰ সৈতে যুদ্ধবিৰতিৰ আলোচনাত আগবাঢ়িবলৈ আহ্বান জনাইছিল।

০০০০০০০০০

তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ে ৱেভছ্ শীৰ্ষ সন্মিলন ২০২৫ৰ অংশ হিচাপে অনুষ্ঠিত থীম সংগীত প্ৰতিযোগিতাৰ বিজয়ীসকলৰ নাম ঘোষণা কৰিছে। ৱেভছ্ শীৰ্ষ সন্মিলনৰ ৩২টা প্ৰত্যাহ্বানৰ অংশ হিচাপে এই প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছিল। সমগ্ৰ দেশৰ ১০০ৰো অধিক প্ৰতিযোগীৰ মাজৰ পৰা ছগৰাকীক বিজয়ী হিচাপে নিৰ্বাচিত কৰা হৈছে। ভাৰতীয় শাস্ত্ৰীয় নৃত্য-গীতৰ পৰা আৰম্ভ কৰি সমসাময়িক ধাৰাক সামৰি ৱেভছ্ সন্মিলনৰ বিষয়বস্তুৰ সৈতে সংগতি থকা গীত-নৃত্য তথা প্ৰতিযোগীসকলৰ মৌলিকতাৰ মূল্যাংকন কৰি বিচাৰকসকলে বিজয়ীসকলক নিৰ্বাচিত কৰে। বিশ্ব অডিঅ' আৰু ভিডিঅ' মনোৰঞ্জন সন্মিলন, ৱেভছ্ অহা ১ৰ পৰা ৪ মে'লৈ প্ৰথমবাৰৰ বাবে মুম্বাইত অনুষ্ঠিত হ'ব।

০০০০০০০০০

আবৃত্তি এটা পৰিৱেশ্য কলা হ'ব পাৰেনে ? সংগীত নাটক একাডেমীয়ে অসমীয়া ভাষাৰ আবৃত্তিক পৰিৱেশ্য কলাৰ স্বীকৃতি দিয়াৰ ক্ষেত্ৰত উদ্ভৱ হোৱা বিভিন্ন বিষয়ক আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত আবৃত্তিৰ সৈতে জড়িত কেইবাগৰাকীও ব্যক্তিয়ে মতামত আগবঢ়াব।

আকাশবাণীৰ বাতৰি বিভাগে কাইলৈ সন্ধিয়া ৭ বাজি ৪৫ মিনিটত অসমৰ বিভিন্ন জনগোষ্ঠীৰ পৰম্পৰাগত ৰঙালী বিহু পালনৰ বিষয়ে এটা বিশেষ সংবাদ চলন্তিকা প্ৰচাৰ কৰিব। এই দুয়োটা অনুষ্ঠানৰ প্ৰযোজনা আৰু পৰিচালনা ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি লক্ষ্ণৌত হ'বলগীয়া এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ্, গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন বিয়লি চাৰে ৩ বজাত আৰম্ভ হ'ব। আজি হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তৰ্জাতিক ক্ৰিকেট ষ্টেডিয়ামত হ'বলগীয়া আন এখন খেলত পাঞ্জাব কিংছে, ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে খেলিব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

কালি নিশা চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত কলকাতা নাইট ৰাইডাৰ্ছে চেন্নাই ছুপাৰ কিংছক ৮ উইকেটত পৰাস্ত কৰে।

০০০০০০০

সমাপ্ত